NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। রাজ্যসভা আৰু লোকসভাত কেন্দ্ৰীয় বাজেটক লৈ আলোচনা অব্যাহত।

২। চৰকাৰে কৈছে যে, মুঠ ১৫ হাজাৰ ৩০০ মেগাৱাট উৎপাদন ক্ষমতাৰ ২১টা পাৰমানৱিক ৰিয়েক্টৰ ৰূপায়ণৰ বিভিন্ন পৰ্যায়ত আছে।

৩। চৰকাৰে ডাকঘৰ নেটৱৰ্কৰ জৰিয়তে ৰপ্তানিৰ প্ৰসাৰৰ উদ্দেশ্যে দেশৰ বিভিন্ন প্ৰান্তত এহেজাৰ ১৩টা ডাকঘৰ ৰপ্তানি কেন্দ্ৰ স্থাপন কৰিছে।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে তেওঁৰ কাৰ্যকালৰ দুবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ড০ ৰাজেন্দ্ৰ প্ৰসাদ কেন্দ্ৰীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক পাঠদান কৰে।

*আৰু*

৫। পেৰিছ অলিম্পিকৰ উদ্বোধনী অনুষ্ঠানৰ এদিন পূৰ্বে ভাৰতৰ মহিলাৰ আৰ্চাৰী দলে আজি সুন্দৰ প্ৰদৰ্শনেৰে অভিযান আৰম্ভ কৰিছে। দলটোৱে ৰেংকিং ৰাউণ্ডত চতুৰ্থ স্থান দখল কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০০০০

রাজ্যসভাই আজি ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট আৰু ২০২৪-২৫ বৰ্ষৰ বাবে কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ বাজেটৰ ওপৰত পুনৰ আলোচনা আৰম্ভ কৰে। আলোচনাত অংশগ্ৰহণ কৰি কংগ্ৰেছৰ সুৰেশ সি সূৰ্যেৱালাই কৃষক, দৰিদ্ৰ আৰু নিবনুৱাৰ সমস্যাৰ বিষয়ে উত্থাপন কৰে। তেওঁ কয় যে, বাজেটত কৃষকৰ ঋণ ৰেহাইৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। তেওঁ লগতে কয় যে, চৰকাৰে কৃষকক খাদ্য শস্যৰ ক্ষেত্ৰত পৰ্যাপ্ত এম এচ পি প্ৰদান কৰা নাই। আনহাতে আপৰ ৰাঘৱ চাড্ডাই অভিযোগ কৰে যে, চৰকাৰে এই বাজেটৰ জৰিয়তে সমাজৰ সকলো শ্ৰেণীকে অসন্তুষ্ট কৰিছ। তেওঁ লগতে দাবী কৰে যে, সাধাৰণ জনতাৰ ওপৰত কৰ বোজা বৃদ্ধি পাইছে আৰু গ্ৰাম্য আয়ৰ বৃদ্ধি দশকীয় নিম্নতম স্তৰত আছে। তেওঁ লগতে মুদ্ৰাস্ফিতি আৰু নিবনুৱা সমস্যাৰ বিষয়েও উত্থাপন কৰে। বিজেডিৰ দেৱাশীষ ছামন্ত্ৰে দেশৰ আঞ্চলিক আকাংক্ষা বাজেটত অবহেলিত হোৱা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ লগতে কয় যে, কেন্দ্ৰই বাজেটত ওড়িশাক একো প্ৰদান কৰা নাই। শ্ৰী ছামন্ত্ৰে অভিযোগ তোলে যে, বাজেটখনে দুখন ৰাজ্যক গুৰুত্ব দি ওড়িশা, পশ্চিমবংগ আৰু ঝাৰখণ্ডৰ দৰে ৰাজ্যক আওকান কৰিছে। আৰ জে ডিৰ সঞ্জয় যাদৱে বাজেটখনক দৰিদ্ৰ বিৰোধী বুলি অভিহিত কৰিছে। তেওঁ কয় যে, বাজেটখনত নিয়োগ তথা নিয়োগৰ হাৰৰ বিষয়ে উল্লেখ নাই। শ্ৰী যাদৱে দাবী কৰিছে যে বিশ্বৰ পঞ্চম বৃহত্তম অৰ্থনীতি হোৱাৰ পাছতো

ভাৰত জনমূৰি আইৰ ক্ষেত্ৰত ১৯৭ খন দেশৰ ভিতৰত ১৪২ নম্বৰ স্থানত আছে। তেওঁ লগতে অভিযোগ কৰে যে, বাজেটক কৃষকসকলৰ বাবে কোনো সুনিৰ্দিষ্ট ব্যৱস্থা নাই। টি এম চিৰ চামিৰুল ইছলামে অভিযোগ কৰে যে, এই বৰ্ষৰ কেন্দ্ৰীয় বাজেট জনবিৰোধী। তেওঁ কয় যে, দেশৰ বিশেষকৈ অসংগঠিত ক্ষেত্ৰত অভাৱগ্ৰস্তসকলক অৱহেলা কৰা হৈছে। আনহাতে বিজেপি সাংসদ মেধা কুলকাৰ্নীয়ে বাজেটখনক প্ৰশংসা কৰি কয় যে, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই বাজেটৰ জৰিয়তে মহাৰাষ্ট্ৰৰ বাবে যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে। নাগপুৰৰ নাগনদী আৰু পুনেৰ মুল্টা-মুথা পৰিষ্কাৰ কৰাৰ বাবে বাজেটৰ ব্যৱস্থাসমূহ আঙুলিয়াই দি তেওঁ কয় যে, ২০১৪ চনৰ পৰা প্ৰধানমন্ত্ৰীয়ে গংগা নদীৰ লগতে অন্যান্য নদীৰ বাবেও ব্যৱস্থা কৰিছে। ডি এম কেৰ এন ছানমুগম, এ আই এ ডি এম কেৰ ছি ভে শ্বানমগম আৰু কংগ্ৰেছৰ ৰজনী পাটিলেও এই আলোচনাত অংশগ্ৰহণ কৰে।

০০০০০০০০

চৰকাৰে কৈছে যে, মুঠ ১৫ হাজাৰ ৩০০ মেগাৱাট উৎপাদন ক্ষমতাৰ ২১টা পাৰমানৱিক ৰিয়েক্টৰ ৰূপায়ণৰ বিভিন্ন পৰ্যায়ত আছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ ৰাজ্যমন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি ৰাজ্যসভাত  এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, দেশৰ ২৪টা পাৰমানৱিক বিদ্যুৎ ৰিয়েক্টৰত বৰ্তমানৰ উৎপাদন ক্ষমতা ৮ হাজাৰ ১৮০ মেগাৱাট। এই উৎপাদন ক্ষমতা ২০৩১-৩২ বৰ্ষৰ ভিতৰত ২২ হাজাৰ ৪৮০ মেগাৱাটলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

অন্য এটা প্ৰশ্নৰ উত্তৰত ড০ সিঙে কয় যে দেশত ২০১৩-১৪ বৰ্ষত পাৰমাণৱিক বিদ্যুৎ উৎপাদন ক্ষমতা ৪ হাজাৰ ৭৮০ মেগাৱাট আছিল। তেওঁ কয় যে, পাৰমাণৱিক বিদ্যুৎ প্ৰকল্পৰ উৎপাদন ক্ষমতা ২০১৩-১৪ বৰ্ষৰ ৩৪ হাজাৰ ২২৮ মিলিয়ন ইউনিটৰ পৰা ২০২৩-২৪ বৰ্ষত ৪৭ হাজাৰ ৯৭১ মিলিয়ন ইউনিটলৈ বৃদ্ধি পাইছে।

০০০০০০০০

লোকসভাত আজি কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা পুনৰ আৰম্ভ হয়। আলোচনাত অংশগ্ৰহণ কৰি কংগ্ৰেছৰ চৰণজিৎ সিং চন্নীয়ে এইবাৰৰ বাজেটে জনসাধাৰণক নিৰাশ কৰা বুলি অভিযোগ তোলে। তেওঁ লগতে সংসদ ভৱনৰ ড০ বি আৰ আম্বেদকাৰৰ প্ৰতিমূৰ্তি স্থানান্তৰনৰ বিষয় লৈ প্ৰশ্ন উত্থাপন কৰে। এইবাৰৰ বাজেটত পাঞ্জাবৰ সৈতে মাহীআইৰ দৰে আচৰণ কৰা হৈছে বুলিও সাংসদগৰাকীয়ে তোলে। তেওঁ কয় যে, বাজেটত বান প্ৰভাৱিত পাঞ্জাবৰ জনসাধাৰণৰ বাবে একোৱেই নাই। তেওঁ লগতে চৰকাৰ ৰক্ষা কৰাই এইবাৰৰ বাজেটত অভিপ্ৰায় বুলি মন্তব্য কৰে। শ্ৰী চন্নীয়ে চৰকাৰে এম জি এনৰেগাৰ অধীনৰ মজুৰি কিয় বৃদ্ধি কৰা নাই বুলি প্ৰশ্ন উত্থাপন কৰে। সাংসদগৰাকীৰ মন্তব্যক লৈ কংগ্ৰেছৰ সাংসদ আৰু চৰকাৰী পক্ষৰ সদস্যসকলৰ মাজত তীব্ৰ বাক-বিতণ্ডাৰ সৃষ্টি হয়।

বাজেট সম্পৰ্কে উত্থাপন কৰা বৈষম্যৰ অভিযোগ খণ্ডন কৰি এন চি পিৰ সুনীল তটকৰেই কয় যে, মহাৰাষ্ট্ৰত এন ডি এৰ শাসনকালত সৰ্বাধিক উন্নয়ন হৈছে। তেওঁ কয় যে, চৰকাৰৰ ভাল কামসমূহৰ  বিৰোধী পক্ষৰ দ্বাৰাও প্ৰশংসা কৰাটো সদনৰ পৰম্পৰা যদিও এইবেলি বিৰোধী সদস্যসকলে অকল ভুল-ত্ৰুটি বিচৰাৰ বাবেহে বাজেটৰ সমালোচনা কৰিছে।

তৃণমূল কংগ্ৰেছৰ সৌগত ৰায়ে আলোচনাত অংশ লৈ এইবাৰৰ বাজেটখনক শেহতীয়া সময়ৰ আটাইতকৈ বিভাজনমুখী বাজেট বুলি অভিহিত কৰে। তেওঁ বাজেটৰ কেইবাটাও বৈশিষ্ট্যক কংগ্ৰেছ দলৰ ইস্তাহাৰৰ পৰা লোৱা

বুলি আৰু শিক্ষাৰ্থীৰ বাবে শিক্ষা ঋণ আঁচনি পশ্চিমবংগ চৰকাৰৰ আঁচনিৰ হুবহু নকল বুলি দাবী কৰে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে পশ্চিমবংগ চৰকাৰ বকেয়া ধন বন্ধ কৰাৰ বিষয়ও উত্থাপন কৰে।

বিজেপিৰ বৈজয়ন্ত পাণ্ডাই এইবাৰৰ বাজেটখনক ঐতিহাসিক আখ্যা দিয়ে। তেওঁ কয় যে, ৰাষ্ট্ৰক আগুৱাই নিয়াৰ বাবে প্ৰয়োজনীয় সংস্কাৰৰ দিশৰ পৰা এইবাৰৰ বাজেটখন পৰিসৰ ব্যাপক আৰু গভীৰ। সাংসদগৰাকীয়ে কয় যে, ভাৰতে নিৰন্তৰভাৱে বিশ্বৰ সবাটোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থাৰ মৰ্যদা অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছে। কংগ্ৰেছৰ হিবি এডেনে আলোচনাত ভাগ লৈ এইবাৰৰ বাজেটে দেশৰ যুৱ প্ৰজন্মক কৰ্মসংস্থাপনৰ সুযোগৰ পৰা বঞ্চিত কৰা বুলি অভিযোগ তোলে। বাজেটত এম জি এনৰেগাৰ ধন বৃদ্ধি কৰা হোৱা নাই বুলিও সাংসদগৰাকীয়ে দাবী কৰে।

০০০০০০০০

চৰকাৰে ডাকঘৰ নেটৱৰ্কৰ জৰিয়তে ৰপ্তানিৰ প্ৰসাৰৰ উদ্দেশ্যে দেশৰ বিভিন্ন প্ৰান্তত এহেজাৰ ১৩টা ডাকঘৰ ৰপ্তানি কেন্দ্ৰ স্থাপন কৰিছে। যোগাযোগ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ডাঃ পেন্মাছানী চন্দ্ৰশেখৰে আজি লোকসভাত এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, এই কেন্দ্ৰসমূহে সীমান্তৰ সিপাৰলৈ ই-বাণিজ্যৰ সুবিধা আগবঢ়ায় আৰু শিপিনি, কাৰুশিল্পী, কাৰিকৰ তথা অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলী উদ্যোগসমূহক সবল কৰি তোলে। তেওঁ কয় যে, এই কেন্দ্ৰীসমূহৰ জৰিয়তে ৰত্ন আৰু অনুকৃত আভূষণ, বস্ত্ৰ, চামৰাৰ সামগ্ৰী, হস্তশিল্পজাত সামগ্ৰী, আয়ুৰ্বেদিক আৰু বনঔষধিকে ধৰি বিভিন্ন প্ৰকাৰৰ সা-সামগ্ৰী ৰপ্তানি কৰা হয়। উত্তৰ প্ৰদেশত সৰ্বাধিক ৯৩ টা, কৰ্ণাটকত ৭৬টা, আৰু মহাৰাষ্ট্ৰ আৰু তামিলনাডুত ৬৪ টাকৈ ডাকঘৰ ৰপ্তানি কেন্দ্ৰ আছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি তেওঁ ৰাষ্ট্ৰপতিত্বৰ দুবছৰ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ চৌহদতস্থিত ড০ ৰাজেন্দ্ৰ প্ৰসাদ কেন্দ্ৰীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক পাঠদান কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে হোৱা মত বিনিময়ৰ সময়ত তেওঁ বৰ্তমানৰ আধুনিক বিশ্বত উদ্ভৱ হোৱা বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰি এই সমস্যাসমূহৰ সকলো লোককে অৱগত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়।

০০০০০০০০

চৰকাৰে কৈছে যে, দেশৰ ৩০ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ৪১০ খন সুকীয়া **পস্কো** আদালতসহ ৭৫৫ খন বিশেষ দ্ৰুত আদালত কাৰ্যক্ষম হৈ আছে। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আজি ৰাজ্যসভাত এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, চৰকাৰে ধৰ্ষণ আৰু যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইন পস্কোৰ সৈতে জড়িত বিচাৰাধীন গোচৰসমূহৰ দ্ৰুত নিষ্পত্তিৰ উদ্দেশ্যে কেন্দ্ৰীয় পৃষ্ঠপোষকতাত এখন আঁচনি ৰূপায়ণ কৰিছে। তেওঁ কয় যে, প্ৰাৰম্ভিক অৱস্থাত এই আঁচনিখন এবছৰৰ বাবে ৰূপায়ণ কৰা হৈছিল আৰু সম্প্ৰতি আঁচনিখনৰ ম্যাদ ২০২৬ বৰ্ষৰ ৩১ মাৰ্চলৈ বৃদ্ধি কৰা হৈছে। বিশেষ আদালতৰ জৰিয়তে এতিয়ালৈকে দুই লাখ ৫৩ হাজাৰৰো অধিক গোচৰ নিষ্পত্তি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

পেৰিছ অলিম্পিকৰ উদ্বোধনী অনুষ্ঠানৰ এদিন পূৰ্বে ভাৰতৰ মহিলাৰ আৰ্চাৰী দলে আজি সুন্দৰ প্ৰদৰ্শনেৰে অভিযান আৰম্ভ কৰিছে। দলটোৱে ৰেংকিং ৰাউণ্ডত চতুৰ্থ স্থান দখল কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। কোৱাৰ্টাৰ ফাইনেলত ভাৰত আয়োজক দেশ ফ্ৰান্স আৰু নেডাৰলেণ্ডছৰ মাজৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ বিজয়ী দলটোৰ বিপক্ষে অৱতীৰ্ণ হ'ব। পুৰুষৰ ব্যক্তিগত শিতানত ধীৰাজ বোম্মাদেৱৰা, তৰুণদীপ ৰায় আৰু প্ৰবীণ যাদৱে দেশক প্ৰতিনিধিত্ব কৰিব। ভাৰতীয় সময় অনুসৰি কাইলৈ নিশা ১১ বজাত উদ্বোধনী অনুষ্ঠান আৰম্ভ হ'ব। এইবাৰ ভাৰতীয় দলটোৰ ছেফ দ্য মিছন হিচাপে তাৰকা শ্বুটাৰ গগন নাৰঙক দায়িত্ব অৰ্পণ কৰা হৈছে। আনহাতে, বেডমিণ্টন তাৰকা পি ভি সিন্ধু আৰু টেবুল টেনিছ শৰথ কমলে ভাৰতীয় দলৰ পতাকা বহন কৰিব। তদুপৰি ৩০গৰাকী সদস্যযুক্ত ভাৰতৰ এথলেটিক দলটোক জেভলিন তাৰকা নীৰজ চোপ্ৰাই নেতৃত্ব দিব। এইবাৰ অলিম্পিকলৈ ভাৰতে ১১৭জনীয়া খেলুৱৈৰ দল প্ৰেৰণ কৰিছে। ১১ আগষ্টলৈকে চলিবলগীয়া এই অলিম্পিকত ১৯৬খন ৰাষ্ট্ৰৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। এইবাৰ প্ৰথমবাৰৰ বাবে ব্ৰেক ডেন্সিংক অলিম্পিকত খেল হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০০

সমাপ্ত